**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমত শেহতীয়াকৈঅবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণক এনেধৰণৰ ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ আহ্বান জনাইছে। বিনিয়োগ কৰা ধন অতি কম সময়ৰ ভিতৰতে দুগুণ হ'ব বুলি কোনো লোকে কৰা দাবী স্পষ্টতঃ ভুৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে এনেধৰণৰ অপৰাধ ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ইফালে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাই ডিব্ৰুগড় আৰক্ষীৰ সন্মুখত আত্ম-সমৰ্পন কৰিছে। ভুৱা ট্ৰেডিঙৰ নামত কোটি কোটি টকা লুণ্ঠন কৰাৰ অভিযোগত বিশাল ফুকন নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ পাছৰেপৰা চুমি বৰা আৰু তেওঁৰ স্বামী পলাতক অৱস্থাত আছিল। দহদিন পলাতক হৈ থকাৰ বাবে অসম আৰক্ষীয়ে তেওঁলোকলৈ লুক-আউট জাননী জাৰি কৰিবলগীয়া হৈছিল। ডিব্ৰুগড় আৰক্ষীয়ে অভিযান চলাই চলিত মাহৰ আৰম্ভণিতে গ্ৰেপ্তাৰ হোৱা এই কেলেংকাৰীৰ মূল অভিযুক্ত বিশাল ফুকনৰ সৈতে জড়িত থকাৰ অভিযোগত চুমি বৰা আৰু তেওঁৰ স্বামীক আটক কৰিছে। এই অভিযুক্তকেইজনে ট্ৰেডিং ব্যৱসায়ত বিনিয়োগ কৰিবলৈ বিভিন্ন লোকক প্ৰলোভন দিয়াৰ লগতে দুমাহত ৩০ শতাংশ ধন ওভোটাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তেওঁলোকে আনকি ভুৱা তথ্য প্ৰদান কৰিও বিনিয়োগকাৰী গ্ৰাহকসকলক প্ৰলোভিত কৰিছিল। আজি আটক কৰাৰ পাছত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লোৱা বুলি জানিব পৰা গৈছে।

আনহাতে, গুৱাহাটী আৰক্ষীয়ে আজি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন এগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্মক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, গুৰুতৰ অবৈধ অনলাইন ট্ৰেডিঙৰ ঘটনাৰ সৈতে জড়িত হৈ থকাৰ অভিযোগত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইপিনে, এনেধৰণৰ অবৈধ ধন লেনদেনৰ ব্যৱসায়ত আন এজন অভিযুক্ত দীপাংকৰ বৰ্মন নামৰ লোকজন পলাতক অৱস্থাত আছে।

oooooooo

অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষা বৰপেটা জিলাত নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। পদক্ষেপ অংশ হিচাপে আজি আৰক্ষী প্ৰশাসনৰ লগত জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হোৱাৰ উপৰি পৰীক্ষা কেন্দ্ৰবোৰো পৰ্যবেক্ষণ কৰা হয়। জিলা আয়ুক্ত আয়ুষ গাৰ্গে নমুনা ভিত্তিত কেইবাটাও কেন্দ্ৰ পৰিদৰ্শন কৰি সুৰক্ষা ব্যৱস্থাৰ বুজ লয়। একেদৰে কেইবাজনো অতিৰিক্ত জিলা আয়ুক্তই আন একাংশ কেন্দ্ৰ পৰিদৰ্শন কৰে। সমান্তৰালভাৱে আৰক্ষীয়েও পৰীক্ষা কেন্দ্ৰবোৰৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰবোৰৰ অন্তৰ্ভুক্ত হৈ থকা আৰক্ষী থানাবোৰৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত নিয়মীয়া বৈঠক অনুষ্ঠিত কৰা হৈছে।

আনহাতে, চৰাইদেউ জিলাত অহা ১৫ আৰু ২৯ ছেপ্তেম্বৰ তথা ২৭ অক্টোবৰত জিলাখনৰ অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে জিলাখনত অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়া সুচাৰু ৰূপে অনুষ্ঠিত কৰাৰ বাবে চৰাইদেউ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে অসম শক্তি বিতৰণ নিগম লিমিটেডৰ চৰাইদেউ, মৰাণ, ডিমৌ বৈদ্যুতিক উপ সংমণ্ডলৰ উপ-মাণ্ডলিক অভিযন্তাক পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ দিনা নিৰৱিচ্ছিন্ন বিদ্যুৎ যোগান নিশ্চিত কৰাৰ বাবে এক পত্ৰযোগে নিৰ্দেশ প্ৰদান কৰিছে। পৰীক্ষাৰ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ

বাবে জিলা প্ৰশাসনে পথৰ দাঁতিত বহা হাট-বজাৰ বন্ধ ৰখাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। অনুকূল বাতাবৰণ বৰ্তাই ৰখাৰ স্বাৰ্থত তথা যান-জঁট ৰোধৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

পদ্ম বঁটাৰ বাবে মনোনয়নৰ দাখিল প্ৰক্ৰিয়াৰ অহা ১৫ ছেপ্তেম্বৰত সামৰণি পৰিব। যোৱা ১ মে'ত এই মনোনয়ন গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকটোত চৰকাৰে অসংখ্য তৃণমূল পৰ্যায়ৰ নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। তেওঁ কয় যে এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰাৰ লগতে এই লোকসকলৰ কামকাজত দৃঢ়তা আৰু অধ্যাৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয় বুলি তেওঁ উল্লেখ কৰে। এই বঁটা প্ৰদান প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ আজি নতুন দিল্লীৰ অখিল ভাৰতী আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান ঘটে। নেতাগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**